
## আমাৰ চিনাকি চৰাই

# ডাউক আৰু শৰালি



মানস প্ৰতিম দত্ত




# আমাৰ চিনাকি চৰাই

# ডাউক আৰু শৰালি

মানস প্ৰতিম দত্ত

# আমাৰ চিনাকি চৰাই ডাউক আৰু শৰালি

মানস প্ৰতিম দত্ত

**প্ৰথম প্ৰকাশ:** লকডাউন, এপ্ৰিল ২০২০

**গ্ৰন্থস্বত্ব:** লেখক

**প্ৰচ্ছদ সজ্জা:** অশ্বিনী কোঁৱৰ

**ভিতৰৰ ফটো:** হোমেন শইকীয়া, ইণ্টাৰনেট

**মূল্য:** অমূল্য

আকৌ
ধোঁৱাৰ মাজেদি উৰি গ'ল চৰাইটো
জলাশয়টোত ককবকাই সেইটো কাৰ
মাত

**নীলমণি ফুকন**

**কৃতজ্ঞতা:**

সৌম্যদ্বীপ দত্ত, নৱ কুমাৰ চমুৱা

দিব্যলতা দত্ত, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই

যুগল সন্দিকৈ, গিৰীণ কছাৰী

দেউতা, ভাইটি, মাডাম বা, তৃষ্ণা

প্ৰণৱ, অশ্বিনী আৰু সমুজ্জ্বল।

**অৰ্পণ**

পৃথিৱীৰ প্ৰতিটো চৰাইৰ চৰণত......

**আমাৰ চিনাকী চৰাই ডাউক আৰু শৰালি-** এই কিতাপখনি শিক্ষাৰ্থীসকলৰ উপযোগীকৈ লিখা হৈছে। প্ৰকৃতিৰ সৈতে থকা আমাৰ আত্মীয়তা আৰু বান্ধোনক চিনাকি কৰি দিয়াটোৱেই এই কিতাপখনৰ মূল লক্ষ্য। আপোনালোকৰ দিহা-পৰামৰ্শ একান্তই কামনা কৰিলোঁ।প্ৰথমে ই-বুক হিচাপে আপোনালোকলৈ এই কিতাপখন আগবঢ়াই দিলোঁ, ইতিবাচক সহাঁৰি পালে ছপাৰূপত প্ৰকাশৰ চিন্তা কৰিম।

**মানস প্ৰতিম দত্ত**

কনকলতা পথ,

বৰবিল, ডিগবৈ

ফোন:৮৬৩৮৭০৮০৭৮

## সূচী


- ডাউক ৯
- শৰালি ১৪

# ডাউক



আমাক শৈশৱত যিটো চৰাইক প্ৰাৰ্থনা গোৱা চৰাই বুলি চিনাকি কৰি দিয়া হৈছিল সেই চৰাইটোৱেই হৈছে ডাউক চৰাই। সান্ধ্য বেলি কাকোৱাক-কোৱক-কুৰুৱাক-কোৱাক শব্দেৰে মাতি পৰিৱেশটোক অনন্য মাত্ৰা দিয়া বাবে এই চৰাইটোক প্ৰাৰ্থনা গোৱা চৰাই বুলি আমাক চিনাকী কৰাই দিয়া হৈছিল। আমাৰ ঘৰৰ পাছফালৰ পুখুৰীটো আৰু তাৰ কাষৰ বাঁহনিডৰাত ডাউকৰ সঘন আহ-যাহ দেখা পাওঁ। আমি বাঁহনিৰ ফালে গ'লে মায়ে সদায় মনে মনে যাবলৈ কৈছিল যাতে চৰাইবোৰে আমনি নাপায়।



তেতিয়া মায়ে কৈছিল চৰাইবোৰত ভগৱান থাকে, চৰাইক আমনি দিয়া মানে ভগৱানক আমনি দিয়া। আমিও কথাবোৰ মানি লৈছিলোঁ। লাহে লাহে কথাবোৰ বুজি পোৱা হ'লোঁ। হয়তো এয়া আছিল চৰাই সংৰক্ষণ আৰু চৰাইক ভালপাবলৈ মা-দেউতাই গ্ৰহণ কৰা প্ৰাথমিক পদক্ষেপ।

Rallidae পৰিয়ালৰ অন্তৰ্গত ডাউক চৰাইৰ বৈজ্ঞানিক নাম হ'ল *Amaurornis phoenicurus*। এছিয়া মহাদেশৰ প্ৰায়বোৰ ৰাষ্ট্ৰতে নিজা আৱাসস্থলী গঢ়ি তোলা এই **চৰাইবিধ** সাধাৰণতে আদ্ৰভূমিত দেখিবলৈ পোৱা যায়। ইহঁতক সমতলভূমি আৰু পৰ্বতীয়াভূমিতো দেখা পোৱা যায়। ইহঁতৰ দীঘলে প্ৰায় ৩২ ছেণ্টিমিটাৰ হোৱাৰ লগতে ডেউকাৰ উপৰ অংশ ক'লা আৰু পেটটো ভগা ৰঙৰ হয়। নেজৰ তলভাগৰ ৰং মামৰে ধৰাৰ দৰে হোৱাৰ লগতে নেজডাল অতিশয় চুটি হয়।প্ৰায়ে জল উৎসৰ ওচৰে পাজৰে থকা এই চৰাইবিধৰ ঠোঁটটো সেউজীয়া ৰঙৰ হোৱাৰ লগতে ঠোঁটৰ গুৰিফালে ৰঙা চিন থকা দেখা যায়। সাধাৰণতে অকলশৰীয়াকৈ থাকি ভালপোৱা ডাউক চৰায়ে প্ৰজননৰ সময়তহে যোৰ পাতি থাকে। ইহঁতৰ প্ৰজনন চক্ৰ এপ্ৰিলত আৰম্ভ হৈ অক্টোবৰত শেষ হোৱা দেখা যায়।



পূৰ্ঠ ডাউক আৰু অ-পূৰ্ঠ ডাউকক সিহঁতৰ ৰঙৰ দ্বাৰা চিনাক্ত কৰিব পাৰি। পূৰ্ঠ ডাউকৰ তুলনাত অ-পূৰ্ঠ ডাউকবোৰৰ ৰং পাতলীয়া হোৱাৰ লগতে পেট আৰু ডিঙিত বগা ৰং নাথাকে। পি.এইচ. গোপকুমাৰ আৰু পি পি কাইমালৰ এটা তিনিবছৰীয়া (২০০২-২০০৫ চন) গৱেষণাত দেখা গৈছিল যে তেওঁলোকৰ অধ্যয়ন এলেকাত তিনিবছৰৰ ব্যৱধানত ডাউকৰ জনসংখ্যা **২৯.৯২%ৰ** পৰা **২০.৬২%**লৈ হ্ৰাস হৈছিল।

আমাৰ ঘৰৰ কাষত বা আদ্ৰভূমি, বিল, পিতনি আদিত ডাউকৰ আৱাসভূমি যথেষ্ট আছিল যদিও তেনে বহু আৱাসভূমিত সম্প্ৰতি বাগিছা, বাসস্থান আদি নিৰ্মাণ কৰা বাবে আৱাসস্থলীৰ সংকোচন ঘটিছে, ফলত ইয়াৰ সংখ্যা যথেষ্ট কমি আহিছে। ডাউক সংৰক্ষণৰ বাবে আদ্ৰভূমি, জলাশয়সমূহ সংৰক্ষণ কৰাৰ লগতে অবৈধ চিকাৰ বন্ধ কৰিব লাগিব।



হেবিটেট মনিটৰিং অনুষ্ঠান আয়োজন কৰাৰ উপৰিও স্বেচ্ছাসেৱী অনুষ্ঠান, চৰকাৰ আৰু স্থানীয় ৰাইজৰ মাজত আন্ত:সম্পৰ্ক আৰু সজাগতা বৃদ্ধিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত মূল ভূমিকা ল'ব লাগিব বনবিভাগে। ইয়াৰ লগতে ডাউকৰ উপৰিও অন্যান্য চৰাইসমূহ সংৰক্ষণৰ বাবে শক্তিশালী আনুষ্ঠানিক আৰু অৰ্থনৈতিক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তদুপৰি কম খৰচী জৈৱ-বন্ধুত্বমূলক উদ্ভাৱন সজুঁলি বিকাশ ঘটাব লাগিব। তেহে চৰাই সংৰক্ষণৰ লগতে বহনক্ষম বিকাশো সম্ভৱ হ'ব।

## অতিৰিক্ত তথ্য



ডাউক চৰাইৰ বৰ্গীকৰণ

ৰাজ্য: এনিমেলিয়া

পৰ্ব: কৰডাটা

শ্ৰেণী: এভচ (পক্ষী)

বৰ্গ: গ্ৰুইফৰ্মিচ

পৰিয়াল: ৰেলিডি

## ডাউক আৰু আমাৰ বিশ্বাস

**মহাভকত ডাউক:**

আমাৰ গাঁওসমূহত ডাউকক মহাভকত বুলি বিশ্বাস কৰা হয়।



**ডাউকে প্ৰাৰ্থনাও কৰে:**

ককা-আইতাৰ মুখত শুনামতে, ডাউকে পুৱা মানুহ শুই উঠাৰ আগতে থেকেৰা আৰু ঢেঁকীয়াৰ ফুলেৰে সদায় ভগৱান বন্দনা কৰে।



# শৰালি

অসমৰ স্থানীয় চৰাইসমূহৰ ভিতৰত এটি অন্যতম চৰাই হ'ল শৰালি চৰাই। বাৰিষাকালত সহজতে জলাশয়বোৰত দেখাপোৱা চৰাইবিধেই হ'ল শৰালি চৰাই। শৰালি চৰাইবোৰ দেখাত হাঁহৰ দৰে দেখা যায় বাবে আমি সৰুতে ইয়াক বনৰ হাঁহ বুলি ভাবিছিলোঁ। বানপানী হ'লে আমাৰ গাঁৱৰ লো-পৰা আৰু ভেৰেকী বিলৰ পৰা উটি অহা মেটেকাৰ দোপনীত এই হাঁহ চৰাইবোৰ দেখিবলৈ পাইছিলোঁ।



সাধাৰণতে জাক-পাতি প্ৰব্ৰজন কৰা শৰালি চৰাইবোৰ নিশাচৰ হয়। আচলতে হাঁহজাতীয় চৰাইবোৰ প্ৰায়ে নিশাচৰ হয়। মানুহ শুই উঠাৰ পূৰ্বে ইহঁতে খাদ্যৰ সন্ধান চলায় আৰু খাদ্য সংগ্ৰহ কৰে। দিনৰ সময়ছোৱাত শৰালি চৰাইবোৰ পানীৰে পূৰ্ণ পথাৰ, খাল, বিল আদিত জিৰণি লয়।

শৰালি চৰাই সমাযোজন সক্ষমতা মন কৰিবলগীয়া। ইহঁতে প্ৰায়ে যিকোনো পৰিৱেশতে নিজকে খাপ খুৱাই ল'বলৈ চেষ্টা কৰাও দেখা যায়। বতৰৰ তাৰতম্যৰ ওপৰত নিৰ্ভৰ কৰি ইহঁতে বিভিন্ন স্থানলৈ পৰিভ্ৰমণ কৰে।



অসমত দুই ধৰণৰ শৰালি চৰাই পোৱা যায়। সেয়া হ'ল- শৰালি হাঁহ আৰু বৰশৰালি।

শৰালি হাঁহৰ বৈজ্ঞানিক নাম হ'ল *Dendrocygna javanica*। Anseriformes বৰ্গৰ অন্তৰ্ভুক্ত এই চৰাইবিধে সাধাৰণতে বাৰিষাকালত প্ৰজনন কাৰ্য সমাপন কৰে। প্ৰজননৰ সময়ত মাইকী শৰালিজনীৰ সন্মুখত মতা শৰালিটোৱে ঠোঁটতো তল-ওপৰ কৰি, চাৰিওফালে ঘূৰি মাইকীজনীক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰে।



বৰশৰালি সাধাৰণতে পানীৰে পূৰ্ণ স্থান, জলাশয় আদিত থাকে। ইহঁতে পোক-পতংগ শেলাই আদি খাদ্য হিচাপে গ্ৰহণ কৰে। বৰশৰালিৰ নেজৰ ওপৰ অংশ বগা আৰু ঠোঁট ক'লা। ইয়াৰ বৈজ্ঞানিক নাম হ'ল *Dendrocygna bicolor*।



### শৰালি চৰাইৰ মাংস আৰু কণী

দহবছৰমান আগৰলৈকে সৰ্বত্ৰে সহজলভ্য শৰালি চৰাই ঠাই ভেদে কমি যোৱা দেখা গৈছে। ইয়াৰ মাংস আৰু কণী খাবলৈ বা বেচিবলৈ চোৰাংকৈ মানুহে ইয়াক হত্যা কৰাৰ বাতৰি বিভিন্ন সময়ত শুনা যায়।

## অতিৰিক্ত তথ্য

শৰালিৰ বৰ্গীকৰণ:

ৰাজ্য: এনিমেলিয়া

পৰ্ব: কৰডাটা

শ্ৰেণী: পক্ষী

বৰ্গ: এনছেৰিফৰ্মিছ

পৰিয়াল: এণ্টিডি





